**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date :08-08-2025 **Time :** 1205Hrs.

## Assamese Midday Bulletin

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে আজি পুৱাৰে পৰা মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলৰ ৩০০ বিঘা ভূমিত উচ্ছেদ চলাইছে। জুলাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিলত প্ৰায় ৩০০ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব বুলি ঘোষণা কৰিছিল। এই ঘোষণাৰ পাছতে গোলাঘাট জিলা বন বিভাগে ড্ৰোণৰ সহায়ত মেৰাপানীৰ নগা পাহাৰৰ দাঁতিত ২ নম্বৰ নেঘেৰিবিল গাঁৱত সন্দেহজনক লোকৰ বসতিপ্ৰধান অঞ্চলটোৰ দৃশ্য সংগ্ৰহ কৰাৰ লগতে বন বিভাগৰ এটা বৃহৎ দলে অঞ্চলটোত উপস্থিত হৈ ঘৰে ঘৰে গৈ জৰীপ আৰু তথ্য সংগ্ৰহ কৰিছিল। কালিও বন বিভাগে অঞ্চলটোত উপস্থিত হৈ উচ্ছেদৰ বাবে প্ৰস্তুতি চলায়। প্ৰায় ৭০খন এস্কেভেটৰৰ লগতে কেইবা শতাধিক বন কৰ্মী, আৰক্ষী আৰু প্ৰশাসনৰ লোকে উচ্ছেদ অভিযান চলাই আছে। জাননী লাভ কৰা অধিকাংশ পৰিয়ালে উচ্ছেদৰ পূৰ্বে বয়-বস্তু সামৰি নেঘেৰীবিল ত্যাগ কৰিছে। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৪ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযানৰ পৰা সকাহ প্ৰদান কৰা নেঘেৰীবিলৰ ৫৯টা পৰিয়ালক চিনাক্ত কৰাৰ উদ্দেশ্যে বন বিভাগে ঘৰে ঘৰে গৈ জৰীপ আৰম্ভ কৰিছে। বন বিভাগৰ লোকে প্ৰতিটো পৰিয়ালৰ দেৱালত ক্ৰমিক নম্বৰ লিখি ন্যায়ালয়ৰ পৰা সকাহ লাভ কৰা পৰিয়ালসমূহ চিনাক্ত কৰাৰ ব্যৱস্থা কৰিছে।

উল্লেখযোগ্য যে নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলৰ ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিছিল আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সয়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰিছিল।

0000000000

কৃত্ৰিম বুদ্ধিমত্তা হব ভৱিষ্যতৰ যুগদ্ৰষ্টা আৰু ই ভৱিষ্যতৰ পৃথিৱী নিয়ন্ত্ৰণ কৰিব। লগতে কৃত্ৰিম বুদ্ধিমত্তাই মানৱ সমাজক দ্ৰুত গতিত আগুৱাই নিব। সেয়েহে ভাৰত চৰকাৰে কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত অধিক গুৰুত্ব দিছে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা

বিজয়া ৰাহাতকাৰে কালি আমিনগাঁৱৰ টুল ৰুম এণ্ড ট্ৰেইনিং চেণ্টাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এখন কৰ্মশালাত অংশগ্ৰহণ কৰি এইদৰে কয়। কৰ্মশালাখন উদ্বোধন কৰি অধ্যক্ষাগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে সাজু হবলৈ নৱ প্ৰজন্মলৈ আহ্বান জনায়। অনুষ্ঠানত আই আই টি গুৱাহাটীৰ মেকানিকেল আৰু ইঞ্জিনিয়াৰিং বিভাগৰ মুৰব্বী অধ্যাপক শ্যামন্ত এম হাজৰিকাও উপস্থিত থাকে।

0000000000

বেটি বাচাও, বেটি পঢ়াও আঁচনিৰ অধীনত মহিলা আৰু শিশু বিকাশ বিভাগ, মাজুলী জিলা প্ৰশাসন আৰু আৰক্ষী বিভাগৰ যৌথ উদ্যোগত মাজুলীৰ জেংৰাইমুখত কালি বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা সভা আৰু পদযাত্ৰা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বাল্য বিবাহমুক্ত মাজুলী অভিযানৰ অংশ হিচাপে আয়োজন কৰা এই কাৰ্যসূচীত বাল্য বিবাহ নিবাৰণ আইন আৰু পকছো আইনৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা হয়। অনুষ্ঠানত মাজুলীৰ উপ-আৰক্ষী অধীক্ষক সুৰজ হাজৰিকা, জিলা সমাজ কল্যাণ বিষয়া উত্তম অধিকাৰী, জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ মিছন সমন্বয়ক কুকি বৰুৱাই আত্মসহায়ক গোটৰ সদস্য, অংগনবাড়ী কৰ্মীকে ধৰি অভিভাৱকসকলক বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

0000000000

চাফাই কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ উদ্দেশ্যে অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছফৰ আৰু উপাধ্যক্ষ মাত্তা ঈশ্বৰ ৰাওয়ে কালি বিশ্বনাথ জিলাত সংশ্লিষ্ট বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত আয়োগৰ অধ্যক্ষ আৰু উপাধ্যক্ষই জিলাখনৰ পৌৰসভা, স্বাস্থ্য বিভাগ তথা অন্যান্য বিভাগত কৰ্মৰত চাফাই কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে এই সমস্যাসমূহ সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। চাফাই কৰ্মচাৰী আয়োগৰ দলটোৱে কালি বিশ্বনাথ জিলা চিকিতসালয় পৰিদৰ্শন কৰি চাফাই কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে।

0000000000

দেশৰ উপ-ৰাষ্ট্ৰপতি পদৰ বাবে অহা ৯ ছেপ্তেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ২১ আগষ্ট ধাৰ্য কৰা হৈছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কালি নতুন দিল্লীত এখন সংবাদ মেলযোগে এই বিষয়ে প্ৰকাশ কৰে। অহা ৯ ছেপ্তেম্বৰতেই নিৰ্বাচনৰ ভোটগণনাও কৰা হব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

এন ডি এ-য়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যসভাৰ নেতা জে পি নাড্ডাক মিত্ৰজোঁটৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী বাছনি কৰাৰ দায়িত্ব অৰ্পণ কৰিছে। সংসদীয় চৌহদত অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ নেতাসকলৰ এখন বৈঠকত কালি সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে যোৱা ২১ জুলাইত জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি লোৱাৰ পৰিপ্ৰেক্ষিতত এই নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন হয়।

0000000000

***সমাপ্ত***